1 (Sem–1/FYUGP) ASS 41 MN/(A)

Jawaharlal Nehru College Library
Estd.-1964
Boko Dist Kamrup

# 2025

## ASSAMESE

( Minor )

Paper : ASS4100104MN

( অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) কোনটো সাহিত্যিক প্ৰাকৃতৰ অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা বুলি বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছিল?

(খ) কোন গৰাকী পণ্ডিতে প্ৰথমে অসমীয়া সাহিত্যৰ যুগ-বিভাজন কৰিছিল?

(গ) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) প্ৰতিমা পাণ্ডে বৰুৱা কোনবিধ অসমীয়া লোকগীতৰ এগৰাকী প্ৰসিদ্ধ শিল্পী?

(ঙ) মাধৱ কন্দলিয়ে ৰামায়ণৰ কেইটা কাণ্ড লিখা বুলি নিজে উল্লেখ কৰিছে?

(চ) কোনে বৰগীতক 'Holy song' আখ্যা দিছিল?

(ছ) ৰাম সৰস্বতীৰ 'ভীম চৰিত' কোন শ্ৰেণীৰ কাব্য?

(জ) অসমীয়া গদ্যৰ জনক ৰূপে কাক অভিহিত কৰা হয়?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) অসমীয়া লিপিৰ বৈশিষ্ট্য ফুটি উঠা খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ দুখন শিলালিপিৰ নাম লিখা।

(খ) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম উল্লেখ কৰা।

(গ) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ৰচক কোন? কাব্যখনৰ বৰ্ণনীয় বিষয় কি?

(ঘ) হেম সৰস্বতীয়ে কোন গৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু তেওঁ (পৃষ্ঠপোষক) ক'ৰ নৃপতি আছিল?

(ঙ) মন্ত্ৰ-সাহিত্য কোন যুগৰ সৃষ্টি বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে? যি কোনো এবিধ মন্ত্ৰ-সাহিত্যৰ নাম লিখা।

(চ) মাধৱ কন্দলিৰ ৰামায়ণৰ কোনটো কাণ্ড শংকৰদেৱে আৰু কোনটো কাণ্ড মাধৱদেৱে ৰচনা কৰিছিল?

(ছ) অসমীয়া লোকগীতৰ দুটা শ্ৰেণী উল্লেখ কৰা।





(জ) 'উঞ্চা উঞ্চা পাবত তঁহি বসই সৱৰী বালী'—চৰ্যাগীতটোত উল্লেখ থকা 'উঞ্চা' আৰু 'বালী' শব্দৰ অৰ্থ লিখা।

(ঝ) বিষয় অনুযায়ী বৰগীতক যি ছটা ভাগত ভগোৱা হয়, তাৰে যি কোনো দুটা ভাগৰ নাম লিখা।

(ঞ) 'হস্তীবিদ্যাৰ্ণৱ' পুথি কোনখন সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত? সংস্কৃত গ্ৰন্থখনৰ ৰচক কোন?

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া সাহিত্যক কি কি যুগত বিভাগ কৰিব পাৰি, চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া আৰু বাংলা উমৈহতীয়া সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) শংকৰদেৱৰ সাহিত্যকৃতি সংক্ষেপে বৰ্ণনা কৰা।

(ঘ) গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি চমু টোকা লিখা।

(ঙ) মাধৱ কন্দলিৰ পৰিচয় দি কবিগৰাকীৰ সাহিত্যকৃতি উল্লেখ কৰা।

(চ) অসমীয়া পাঁচালী-সাহিত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) 'অৰ্জুনৰ বিষাদ যোগ'ৰ কথাখিনি চমুকৈ বৰ্ণনা কৰা।

(জ) হাতীৰ বিভিন্ন লক্ষণৰ কথা 'হস্তীবিদ্যাৰ্ণৱ' পুথিত কেনেদৰে বৰ্ণিত হৈছে, উল্লেখ কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) অসমীয়া ভাষাৰ উৎপত্তি-সম্পৰ্কীয় মতকেইটা উল্লেখ কৰি অধিক গ্ৰহণযোগ্য বুলি বিবেচিত মতটোৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) কামৰূপী লোকগীতৰ চমু পৰিচয় দাঙি ধৰি 'কানাই পাৰ কৰা হে' শীৰ্ষক লোকগীতটোত কৃষ্ণ আৰু ৰাধাৰ প্ৰেম-অনুৰাগৰ চিত্ৰ কেনেদৰে প্ৰকাশ হৈছে, উল্লেখ কৰা।

(গ) হিৰণ্যকশিপুৱে পুত্ৰ প্ৰহ্লাদক বিষ্ণু ভক্তিৰ পৰা আঁতৰাই আনিবলৈ কেনেদৰে বৃথা চেষ্টা কৰিছিল, হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' গ্ৰন্থৰ আধাৰত বৰ্ণনা কৰা।

(ঘ) ঝুমুৰা কি? মাধৱদেৱৰ 'চোৰধৰা' ঝুমুৰাৰ কাহিনীভাগ তোমাৰ ভাষাৰে লিখা।

(ঙ) অসমীয়া বুৰঞ্জী-সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি 'অসমৰ ৰণোদ্যম' পাঠ্যাংশৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★